**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-08-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ এগৰাকী আৱাসিক চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ প্ৰতিবাদত আজি ভাৰতীয় চিকিৎসা সংস্থাই ২৪ ঘণ্টা জোৰা ৰাষ্ট্ৰীয় ধৰ্মঘটৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। এই অনুসৰি দেশজুৰি পুৱা ৬ বজাৰ পৰা জৰুৰী সেৱাৰ বাহিৰে অন্য সেৱা আৰু অ' পি ডি বন্ধ ৰখা হৈছে। সংস্থাটোৱে ভুক্তভোগী চিকিৎসকগৰাকীৰ হকে ন্যায় আৰু স্বাস্থ্যকৰ্মীসকলৰ সুৰক্ষাৰ বাবে এখন কেন্দ্ৰীয় আইন প্ৰণয়ন কৰিবলৈ আহ্বান জনাইছে।

ধৰ্মঘটৰ অংশ হিচাপে ৰাজ্যতো চিকিৎসসকলে প্ৰতিবাদী কাৰ্যসূচীত অংশ লৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ চিকিৎসা মহাবিদ্যালয় আৰু অন্য চিকিৎসা প্ৰতিষ্ঠানতো চিকিৎসকসকলে ধৰ্মঘটৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু আঞ্চলিক দন্ত মহাবিদ্যালয়তো চিকিৎসকসকলে শ্ল'গান আৰু প্লেকাৰ্ড প্ৰদৰ্শন কৰি ধৰ্ষণ আৰু হত্যাকাণ্ডৰ ঘটনাৰ দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰি চিকিৎসকসকলৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ চৰকাৰক দাবী জনায়। একেদৰে বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল, গোলাঘাটৰ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়, নগাঁও চিকিৎসা মহাবিদ্যালয়, তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়, কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু ৰূপনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয়কে ধৰি বিভিন্ন চৰকাৰী চিকিৎসা প্ৰতিষ্ঠানসমূহত আজি পুৱাৰেপৰা জৰুৰীকালীন সেৱাৰ বাহিৰে অন্যান্য সেৱাসমূহ বন্ধ ৰখা হৈছে। ভালেসংখ্যক বেচৰকাৰী চিকিৎসালয়তো চিকিৎসকসকলে ক'লাবেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰিছে।

ইপিনে, কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে এটা নিৰ্দেশ যোগে কৈছে যে চিকিৎসকৰ সৈতে সংঘটিত হিংসাত্মক ঘটনাৰ ক্ষেত্ৰত ৬ ঘণ্টাৰ ভিতৰত এজাহাৰ ৰুজু কৰা উচিত আৰু এজাহাৰ ৰুজু কৰাটো সংস্থাটোৰ মুৰব্বীৰ দায়িত্ব।

oooooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী ৬ দিনত দেশৰ পূব আৰু মধ্য ভাগত ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে কৈছে যে, উত্তৰ-পশ্চিম বংগোপ সাগৰ আৰু কাষৰীয়া পশ্চিমবংগত সৃষ্টি হোৱা নিম্নচাপৰ প্ৰভাৱত ২২ আগষ্ট পৰ্যন্ত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, ছিকিম, অৰুণাচল প্ৰদেশ, ছত্তিছগড়, মধ্যপ্ৰদেশ, ওড়িশা, পশ্চিমবংগ, ঝাৰখণ্ড আৰু মহাৰাষ্ট্ৰৰ মধ্য ভাগত বৰষুণ হোৱাৰ সম্ভাৱনা আছে। এই অনুযায়ী অহা ২৪ ঘণ্টাত গুৱাহাটী, শিলচৰ, গোৱালপাৰা, যোৰহাট, উত্তৰ লখিমপুৰকে ধৰি ৰাজ্যৰ প্ৰধান চহৰসমূহত বিজুলী-ঢেৰেকণিৰে সৈতে বৰষুণ অহাৰ বিষয়ে বতৰ বিজ্ঞান বিভাগে আগজাননী দিছে। এই সময়ছোৱাত চহৰকেইখনত তাপমান সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ হোৱাৰ সম্ভাৱনা আছে।

oooooooo

NEET, JEE, CUET -কে ধৰি বিভিন্ন ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ সময়ত আধাৰ নম্বৰৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি অসম মাধ্যমিক শিক্ষা পৰিষদে বিদ্যালয়সমূহত বায়'মেট্ৰিক আপডেটৰ বাবে আধাৰ শিবিৰ মুকলি কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। এই সন্দৰ্ভত পৰিষদৰ সচিবে আজি বিদ্যালয়সমূহৰ অধ্যক্ষ আৰু প্ৰধান শিক্ষকসকললৈ যাৱতীয় তথ্য দাখিল কৰিবলৈ নিৰ্দেশ দি জাননী প্ৰেৰণ কৰিছে। নিৰ্দেশ অনুসৰি বিদ্যালয়সমূহক ৫ বছৰৰ পৰা ৭ বছৰ আৰু ১৫ বছৰৰ পৰা ১৭ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা, আধাৰ শিবিৰ স্থাপনৰ বাবে উপযুক্ত সময়সহ অন্যান্য যাৱতীয় তথ্য ১০ ছেপ্তেম্বৰৰ ভিতৰত দাখিল কৰিবলৈ কোৱা

হৈছে। উল্লেখযোগ্য যে বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত ছাত্ৰ-ছাত্ৰীসকলে প্ৰ-পত্ৰ পূৰণৰ ক্ষেত্ৰত অনুভৱ কৰা জটিলতা দূৰ কৰিবৰ বাবে দেশজুৰি বিদ্যালয়সমূহত আধাৰশিবিৰ স্থাপন কৰি বায়’মেট্ৰিক আপডেট কৰাৰ লগতে ম’বাইল নম্বৰ সংযোগৰ ব্যৱস্থা কৰা হৈছে।

0000000

গুৱাহাটীৰ জিলা পুথি ভঁৰালত আজি উত্তৰ-পূৰ্বাঞ্চল বাৰ কাউঞ্চিলৰ এখন সভা অনুষ্ঠিত হয়। সভাত বাৰ কাউঞ্চিলত নতুনকৈ অন্তৰ্ভুক্ত হোৱা প্ৰায় ছশ গৰাকী নবাগত অধিবক্তাক ওকালতি কৰাৰ বাবে যাৱতীয় অনুজ্ঞা পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অৰূপ কুমাৰ গোস্বামীকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

0000000

অসমৰ নৱ-নিযুক্ত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই আজি দৰং জিলাত অৱস্থিত ঐতিহাসিক পথৰুঘাট কৃষক শ্বহীদ সমাধিক্ষেত্ৰত উপস্থিত শ্বহীদসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ৰাজ্যপালগৰাকীয়ে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ সৈতে আলোচনাৰ জৰিয়তে পথৰুঘাটৰ কৃষক শ্বহীদসকলৰ আত্ম বলিদান আৰু ত্যাগৰ আদৰ্শ আগবঢ়াই নিয়াৰ বাবে কাম কৰি যাব বুলি সংবাদ মাধ্যমক অৱগত কৰে। আজিৰ অনুষ্ঠানত সাংসদ দিলীপ শইকীয়া বিধায়ক পৰমানন্দ ৰাজবংশী আৰু দৰং জিলাৰ আয়ুক্তকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে ১৮৯৬ চনৰ ২৮ জানুৱাৰীত ব্ৰিটিছ শাসনৰ শোষণ আৰু বঞ্চনাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ গৈ পথৰুঘাটত ১৪০ জন কৃষক শ্বহীদ হৈছিল। ৰাজ্যপাল শ্ৰী আচাৰ্যই আজি পথৰুঘাটৰ এই ঘটনাই ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত বিশেষ তাৎপৰ্য বহন কৰিছে বুলি মত প্ৰকাশ কৰে।

0000000

**সমাপ্ত**